
অষ্টম অধ্যায়

# সূচকাংক (Index Number)




> এই অধ্যায়ৰ অধ্যয়নৰ ফলত ঃ
> - সূচকাংকৰ অৰ্থ বোধগম্য হ'ব
> - কিছুমান বহুল ব্যৱহৃত সূচকাংকৰ লগত পৰিচিত হ'বা
> - সূচকাংক গঠন কৰিবলৈ শিকিবা
> - ইয়াৰ সীমাৱদ্ধতাসমূহ বুজি পাবা

## 1. সূচনা

সংগৃহীত তথ্যৰ পৰা কিদৰে সংক্ষিপ্তকৃত আহিলা (Summary Measures) উলিয়াব পাৰি, তাক আগৰ অধ্যায়বোৰত শিকিলা। কিছুমান সম্পৰ্কীয় চলকৰ সমষ্টিত হোৱা পৰিৱৰ্তনৰ বাবে এনে আহিলা কিদৰে উলিয়াব পাৰি, তাকে এতিয়া শিকোঁ আহা।

বহুদিনৰ মূৰত ৰবি বজাৰলৈ গ'ল। গৈ দেখিলে যে প্ৰায়বোৰ সামগ্ৰীৰে দামৰ পৰিৱৰ্তন হৈছে। কিছুমান বেছি ব্যয়বহুল হৈছে, আনহাতে আন কিছুমান আগতকৈ সস্তা হৈছে। বজাৰৰ পৰা ওভোতাৰ পিছত ৰবিয়ে দেউতাকক তেওঁ কিনি অনা প্ৰত্যেকটো সামগ্ৰীৰে দামৰ পৰিৱৰ্তনৰ কথা ক'লে। দুয়োৰে চকু কপালত উঠিল।

উদ্যোগখণ্ডৰ ভিতৰত বহুতো উপ-খণ্ড থাকে। প্ৰত্যেকটোৰে পৰিৱৰ্তন হৈ আছে। কিছুমান উপ-খণ্ডৰ উৎপাদন বৃদ্ধি পাই আছে, আন কিছুমানৰ কমি গৈ আছে। পৰিৱৰ্তনবোৰ একে ধৰণৰ নহয়। ব্যক্তিগত পৰিৱৰ্তনৰ হাৰৰ ব্যাখ্যা বুজাটো কষ্টসাধ্য। এটা সংখ্যাৰ দ্বাৰা আটাইবোৰ পৰিৱৰ্তন সামৰি ল'ব পৰা নাযায়নে? তলৰ ঘটনাবোৰলৈ লক্ষ্য কৰা ঃ

ঘটনা (Case) 1 ঃ

1982 চনত এজন ঔদ্যোগিক কৰ্মীয়ে 1000 টকা দৰমহা পাইছিল। এতিয়া তেওঁ উপাৰ্জন কৰে 12000 টকা। এই সময়ছোৱাৰ ভিতৰত তেওঁৰ জীৱন ধাৰণৰ মানদণ্ড 12 গুণ উন্নত হোৱা বুলি ক'ব পাৰিনে? আগৰ দৰে স্বাচ্ছল্য বজাই ৰাখিবলৈ তেওঁৰ দৰমহা কিমান বৃদ্ধি কৰিব লাগিব?

ঘটনা 2 ঃ

বাতৰি কাকতত তোমালোকে চেনচেক্স (sensex)ৰ বিষয়ে পঢ়িছা। চেনচেক্সে 8000 পইণ্ট অতিক্ৰম কৰা কথাটো উৎফুল্লতাৰে আদৰণি জনোৱা হয়। অলপতে চেনচেক্স 600 পইণ্টলৈ নামি যোৱাত বিনিয়োগকাৰীৰ

সম্পদৰ ক্ষতি হ'ল 1,53,690 কোটি টকাৰ। চেনচেক্স প্ৰকৃততেনো কি?

ঘটনা 3 ঃ

চৰকাৰে বিবৃতি দিছে যে পেট্ৰ'লজাত সামগ্ৰীৰ মূল্যবৃদ্ধিৰ কাৰণে মুদ্ৰাস্ফীতি বৃদ্ধি নহ'ব। মুদ্ৰাস্ফীতি কেনেদৰে জোখা হয়?

দৈনন্দিন জীৱনত সন্মুখীন হোৱা কিছুমান প্ৰশ্নৰ এইবিলাক একো একোটা নমুনা। সূচকাংকৰ অধ্যয়নে এই প্ৰশ্নসমূহৰ ব্যাখ্যা আগ বঢ়োৱাত সহায় কৰিব।

## 2. সূচকাংক কি?

কিছুমান পৰস্পৰ সম্পৰ্ক থকা চলকৰ সমষ্টিৰ মানৰ পৰিৱৰ্তন জুখিবলৈ যি পৰিসাংখ্যিক আহিলা ব্যৱহাৰ কৰা হয়, তাকে সূচকাংক বোলে। ইয়াক উলিয়াবলৈ ব্যৱহৃত ভিন্ন অনুপাতসমূহৰ সাধাৰণ প্ৰৱণতা (Trend)ক ই প্ৰতিনিধিত্ব কৰে। দুটা ভিন্ন পৰিস্থিতিৰ মাজত পৰস্পৰ সম্পৰ্কিত চলকৰ সমষ্টিৰ গড় হিচাপত হোৱা পৰিৱৰ্তনৰ ই জোখ। এই তুলনা ব্যক্তি, বিদ্যালয়, হাস্পতাল আদি বিভিন্ন শ্ৰেণীৰ মাজত হ'ব পাৰে। বিভিন্ন চলকৰ মান যেনে নিৰ্দিষ্ট কিছুমান সামগ্ৰীৰ দামৰ তালিকা, এটা উদ্যোগৰ বিভিন্ন খণ্ডৰ উৎপাদনৰ পৰিমাণ বিভিন্ন কৃষিজাত সামগ্ৰীৰ উৎপাদন, জীৱন ধাৰণৰ ব্যয় আদিৰ পৰিৱৰ্তনো সূচক সংখ্যাৰ দ্বাৰা জোখা হয়।




পৰম্পৰাগতভাৱে, সূচক সংখ্যাসমূহ শতাংশ হিচাপত প্ৰকাশ কৰা হয়। দুটা সময়ৰ ভিতৰত যিটো সময়ৰ লগত তুলনা কৰা হয়, তাক ভিত্তি কাল (Base Period) বুলি জনা যায়। ভিত্তি কালৰ মানক সূচক সংখ্যা 100 ৰে সূচোৱা হয়। যদি 1990 চনৰ তুলনাত 2005 চনত দাম কিমান পৰিৱৰ্তন হ'ল জানিব বিচাৰা, তেন্তে 1990 ভিত্তি কাল বা বছৰ হ'ব। যিকোনো এটা সময়ৰ সূচক সংখ্যা ইয়াৰ অনুপাত হিচাপে উলিওৱা হয়। সেয়েহে সূচকাংক 250 হ'লে এইটোকে বুজায় যে ভিত্তি কালতকৈ চলিত কালত মান আঢ়ৈ গুণ বেছি।

মূল্য সূচকাংকই নিৰ্দিষ্ট সামগ্ৰীৰ দামৰ পৰিৱৰ্তন জোখে আৰু তুলনা কৰাত সহায় কৰে। পৰিমাণ সূচকাংকই উৎপাদন, নিৰ্মাণ বা নিয়োগৰ পৰিমাণৰ পৰিৱৰ্তন জোখে। যদিও মূল্য সূচকাংকৰ ব্যৱহাৰ অধিক, উৎপাদন সূচকাংকও অৰ্থনীতিৰ উৎপাদনস্তৰৰ গুৰুত্বপূৰ্ণ নিৰ্দেশক।

## 3. সূচকাংক গঠন

সূচকাংক গঠনৰ নীতিসমূহ তলত মূল্য সূচকাংকৰ সহায়ত ব্যাখ্যা কৰা হৈছে।

তলত উদাহৰণটোলৈ মন কৰা ঃ

উদাহৰণ 1

সৰল সমষ্টিগত মূল্য সূচকাংক (Simple Aggregate **Price** Index) গণনা

তালিকা 8.1

| সামগ্ৰী | ভিত্তি কালৰ দাম (টকা হিচাপত) | বৰ্তমান কালৰ দাম (টকা হিচাপত) | শতাংশ পৰিৱৰ্তন |
|---|---|---|---|
| A | 2 | 4 | 100 |
| B | 5 | 6 | 20 |
| C | 4 | 5 | 25 |
| D | 2 | 3 | 50 |

এই উদাহৰণটোত লক্ষ্য কৰিছা চাগৈ যে প্ৰত্যেকটো সামগ্ৰীৰে শতাংশ পৰিৱৰ্তন বেলেগ বেলেগ। যদি চাৰিওটা সামগ্ৰীৰ শতাংশ পৰিৱৰ্তন একে হ'লহেঁতেন, তেন্তে এটা সংখ্যাই গোটেইবোৰ পৰিৱৰ্তন বুজাবলৈ যথেষ্ট হ'লহেঁতেন। যিহেতু শতাংশ পৰিৱৰ্তনবোৰ বেলেগ বেলেগ, প্ৰত্যেকটো সামগ্ৰীৰে শতাংশ পৰিৱৰ্তনবোৰ উল্লেখ কৰিলে, যথেষ্ট খেলিমেলিৰ সৃষ্টি হ'ব। যিকোনো এখন বাস্তৱ বজাৰত, য'ত সামগ্ৰীৰ সংখ্যা বহুত বেছি হয়, এনেকুৱা হোৱা দেখা যায়। মূল্য সূচকাংকই এটা মাত্ৰ সাংখ্যিক আহিলাৰে এনেকুৱা পৰিৱৰ্তনবোৰক প্ৰতিনিধিত্ব কৰে।

সূচকাংক গঠনৰ দুটা পদ্ধতি আছে। এটা হৈছে সমষ্টিগত পদ্ধতি (Aggregative Method), আনটো আপেক্ষিক গড় পদ্ধতি (Method of Averaging Relatives)

**সমষ্টিগত পদ্ধতি ঃ**

সৰল সমষ্টিগত মূল্য সূচকাংক উলিওৱাৰ সূত্ৰটো হৈছে

$$P_{01} = \frac{\sum P_1}{\sum P_0} \times 100$$

ইয়াত $P_1$ and $P_0$ য়ে ক্ৰমে চলিত সময় আৰু ভিত্তি সময়ত সামগ্ৰীটোৰ দাম বুজাইছে। উদাহৰণ 1 ৰ তথ্যখিনি ব্যৱহাৰ কৰিলে সৰল সমষ্টিগত মূল্য সূচকাংক হ'ব

$$P_{01} = \frac{4+6+5+3}{2+5+4+2} \times 100 = 138.5$$

গতিকে দাম 38.5 শতাংশ বৃদ্ধি পোৱা বুলি ক'ব পাৰি।

তোমালোকে জানানে যে এনেকুৱা এটা সূচকাংকৰ ব্যৱহাৰ অতি সীমিত? কাৰণ এনে সূচকাংক অভাৰিত (unweighted), ইয়াত প্ৰত্যেকটো সামগ্ৰীৰ আপেক্ষিক গুৰুত্ব সঠিকৰূপে প্ৰতিফলিত হোৱা নাই। প্ৰত্যেকটো সামগ্ৰীৰে সমান গুৰুত্ব বা ভাৰ থকা বুলি ধৰি লোৱা হৈছে। কিন্তু বাস্তৱত ক্ৰয় কৰা সামগ্ৰীবোৰৰ গুৰুত্বৰ পাৰ্থক্য থাকে। খাদ্য সামগ্ৰীয়ে আমাৰ মুঠ ব্যয়ৰ এক বৃহৎ অংশ সামৰি লয়। এনে ক্ষেত্ৰত, বেছি ভাৰ থকা আৰু কম ভাৰ থকা দুটা সামগ্ৰীৰ দামৰ সমান পৰিৱৰ্তনে মূল্য সূচকাংকটোৰ সামগ্ৰিক পৰিৱৰ্তনত বেলেগ বেলেগ প্ৰভাৱ পেলাব।

ভাৰিত বা ভাৰযুক্ত সমষ্টিগত মূল্য সূচকাংকৰ সূত্ৰটো হৈছে

$$P_{01} = \frac{\sum P_1 q_1}{\sum P_0 q_0} \times 100$$

যেতিয়া প্ৰত্যেকটো সামগ্ৰীৰ আপেক্ষিক গুৰুত্বৰ প্ৰতি লক্ষ্য ৰখা হয়, তেতিয়া সূচকাংকটো ভাৰিত বা ভাৰযুক্ত সূচকাংক হয়। ইয়াত ভাৰসমূহ হৈছে পৰিমাণগত ভাৰ। ভাৰিত বা ভাৰযুক্ত সমষ্টিগত সূচক সংখ্যা গঠন কৰিবলৈ সুনিৰ্দিষ্ট কিছুমান সামগ্ৰীৰ মোনা (Basket of commodities) একোটা লোৱা হয় আৰু প্ৰতি বছৰে ইয়াৰ মূল্য হিচাপ কৰা হয়। নিৰ্দিষ্ট কিছুমান সামগ্ৰীৰ সমষ্টিৰ পৰিৱৰ্তিত মূল্য ইয়াৰ দ্বাৰা জুখিব পাৰি। একে মোনাটোৰ মুঠ মূল্য পৰিৱৰ্তনৰ কাৰণ হৈছে সামগ্ৰীসমূহৰ দামৰ পৰিৱৰ্তন। ভাৰিত বা ভাৰযুক্ত সমষ্টিগত সূচকাংক উলিওৱা বিভিন্ন পদ্ধতিসমূহত বেলেগ বেলেগ সময় সাপেক্ষ ভাৰ ব্যৱহাৰ কৰে।



**উদাহৰণ 2**

ভাৰিত বা ভাৰযুক্ত সমষ্টিগত মূল্য সূচকাংক গণনা (Weighted Aggregative Price Index)

তালিকা 8.2

| | ভিত্তি সময় | | চলিত সময় | |
|---|---|---|---|---|
| সামগ্ৰী | দাম | পৰিমাণ | দাম | পৰিমাণ |
| | $p_0$ | $q_0$ | $p_1$ | $q_1$ |
| A | 2 | 10 | 4 | 5 |
| B | 5 | 12 | 6 | 10 |
| C | 4 | 20 | 5 | 15 |
| D | 2 | 15 | 3 | 10 |

$$P_{01} = \frac{\sum P_1 q_0}{\sum P_0 q_0} \times 100$$

$$= \frac{4\times10+6\times12+5\times20+3\times15}{2\times10+5\times12+4\times20+2\times15} \times 100$$

$$= \frac{257}{190} \times 100 = 135.3$$

এই পদ্ধতিটোত ভিত্তি সময়ৰ পৰিমাণক ভাৰ হিচাপে ব্যৱহাৰ কৰা হৈছে। ভিত্তি সময়ৰ পৰিমাণক ভাৰ হিচাপে ব্যৱহাৰ কৰা ভাৰিত বা ভাৰযুক্ত সমষ্টিগত মূল্য সূচকাংকক লাচ্‌পেয়াৰৰ (Laspeyre's) মূল্য সূচকাংক বুলিও জনা যায়। ভিত্তি সময়ৰ সামগ্ৰীৰ মোনাটোৰ খৰচক 100 বুলি ধৰিলে, চলিত সময়ত সেই একেই মোনাটোত কিমান খৰচ কৰিব লাগিব, তাকে এই সূচকাংকই ব্যাখ্যা কৰে। আমাৰ উদাহৰণটোত, মূল্য বৃদ্ধিৰ বাবে ভিত্তি সময়ৰ পৰিমাণসমূহৰ মূল্য 35.3 শতাংশ বৃদ্ধি পাইছে। ভিত্তি সময়ৰ পৰিমাণসমূহক ভাৰ হিচাপে ব্যৱহাৰ কৰিলে দাম 35.3 শতাংশ বৃদ্ধি পোৱা বুলি ক'ব পাৰি।

যিহেতু চলিত সময়ৰ পৰিমাণসমূহ ভিত্তি সময়ৰ পৰিমাণতকৈ পৃথক, চলিত সময়ৰ পৰিমাণসমূহক ভাৰ হিচাপে ব্যৱহাৰ কৰিলে, সূচকাংকৰ এটা পৃথক মান পোৱা যাব।

$$P_{01} = \frac{\sum P_1 q_1}{\sum P_0 q_1} \times 100$$

$$= \frac{4\times5+6\times10+5\times15+3\times10}{2\times5+5\times10+4\times15+2\times15} \times 100$$

$$= \frac{185}{140} \times 100 = 132.1$$

ইয়াত চলিত সময়ৰ পৰিমাণক ভাৰ হিচাপে ব্যৱহাৰ কৰা হৈছে। চলিত সময়ৰ পৰিমাণক ভাৰ হিচাপে ব্যৱহাৰ কৰা ভাৰিত (ভাৰযুক্ত) সমষ্টিগত মূল্য সূচকাংকক পাশ্চিৰ (Paasche's) মূল্য সূচকাংক বুলি জনা যায়। চলিত সময়ৰ সামগ্ৰীৰ মোনাটোক যদি ভিত্তি সময়ত ভোগ কৰা হৈছিল আৰু যদিহে ইয়াৰ খৰচ 100 টকা আছিল, তেন্তে একে সামগ্ৰীৰ মোনাটোৰ কাৰণে চলিত সময়ত কিমান খৰচ কৰিব লাগিব? এই প্ৰশ্নটোৰ উত্তৰ দিয়াত পাশ্চিৰ সূচকাংকই সহায় কৰে। পাশ্চিৰ মূল্য সূচকাংক 132.1 য়ে 32.1 শতাংশ দাম বৃদ্ধি হোৱা বুজায়। চলিত সময়ৰ পৰিমাণ ভাৰ হিচাপে ব্যৱহাৰ কৰোঁতে দাম 32.1 শতাংশ বৃদ্ধি হোৱা দেখা গ'ল।

### আপেক্ষিক গড় পদ্ধতি (Method of Averaging Relatives)

যেতিয়া মাত্ৰ এটা সামগ্ৰী থাকে, তেতিয়া চলিত সময় আৰু ভিত্তি সময়ত সামগ্ৰীটোৰ দামৰ অনুপাতক শতাংশ হিচাপে প্ৰকাশ কৰিলেই মূল্য সূচকাংক পোৱা যায়। আপেক্ষিক গড় পদ্ধতিত বেছি সামগ্ৰীৰ ক্ষেত্ৰত এনেকুৱা আপেক্ষিক (Relatives) সমূহৰ গড় লোৱা হয়। মূল্য আপেক্ষিক ব্যৱহাৰ কৰা মূল্য সূচকাংকক

এনেদৰে সংজ্ঞাবদ্ধ কৰিব পাৰি

$$P_{01} = \frac{1}{n} \quad \Sigma \frac{p_1}{p_0} \times 100$$

ইয়াত $p_1$ আৰু $p_0$ য়ে ক্ৰমে i তম সামগ্ৰীটোৰ চলিত সময় আৰু ভিত্তি সময়ত দাম বুজাইছে। $\left(\frac{p_1}{p_0}\right) \times 100$ অনুপাতটোৱে সামগ্ৰীটোৰ মূল্য আপেক্ষিক বুজাইছে। 'n' হৈছে মুঠ সামগ্ৰীৰ সংখ্যা। আমাৰ উদাহৰণটোত

$$P_{01} = \frac{1}{4}\left(\frac{4}{2}+\frac{6}{5}+\frac{5}{4}+\frac{3}{2}\right)\times 100$$

$$= 149$$

গতিকে সামগ্ৰীসমূহৰ মূল্য 49 শতাংশ বৃদ্ধি পাইছে।

ভাৰিত বা ভাৰযুক্ত মূল্য আপেক্ষিক গড় সূচকাংক (Weighted Index of Average Price Relatives) হৈছে মূল্য আপেক্ষিক সমূহৰ ভাৰিত সমান্তৰ মাধ্য। ইয়াৰ সংজ্ঞা হৈছে

$$P_{01} = \frac{\Sigma w\left(\frac{p_1}{p_0}\times 100\right)}{\Sigma w}$$

ইয়াত w = ভাৰ

ভাৰিত মূল্য আপেক্ষিক সূচকাংকত ভিত্তিৰ সময়ত, মুঠ ব্যয়ৰ অনুপাত বা শতাংশ হিচাপে সামগ্ৰীসমূহত যিমান খৰচ কৰা হয়, তাকে ভাৰ হিচাপে ব্যৱহাৰ কৰিব পাৰি। ব্যৱহৃত সূত্ৰৰ ওপৰত নিৰ্ভৰ কৰি চলিত সময়ো ব্যৱহাৰ কৰিব পাৰি। সাধাৰণতে চলিত সময়ৰ ভাৰতকৈ ভিত্তি সময়ৰ ভাৰ বেছি পছন্দ কৰা হয়। কাৰণ প্ৰত্যেক বছৰে ভাৰৰ হিচাপ উলিওৱাটো অসুবিধাজনক। উদাহৰণ 3 ত ভাৰিত মূল্য সূচকাংক উলিয়াবলৈ প্ৰয়োজনীয় তথ্য দেখুওৱা হৈছে।

**উদাহৰণ 3**

ভাৰিত বা ভাৰযুক্ত মূল্য আপেক্ষিক সূচকাংক গণনা

তালিকা 8.3

| সামগ্ৰী | ভিত্তি বছৰৰ দাম (টকাত) | চলিত বছৰৰ দাম (টকাত) | মূল্য আপেক্ষিক | ভাৰ শতাংশ হিচাপত |
|---|---|---|---|---|
| A | 2 | 4 | 200 | 40 |
| B | 5 | 6 | 120 | 30 |
| C | 4 | 5 | 125 | 20 |
| D | 2 | 3 | 150 | 10 |

ভাৰিত মূল্য সূচকাংকটো হ'ব

$$P_{01} = \frac{\Sigma w\left(\frac{p_1}{p_0}\times 100\right)}{\Sigma w}$$

$$= \frac{40\times 200+30\times 120+20\times 125+10\times 150}{100}$$

$$= 156$$

ভাৰিত মূল্য সূচকাংকটো হৈছে 156। মূল্য সূচকাংক 56 শতাংশ বৃদ্ধি হৈছে। অভাৰিত মূল্য সুচকাংক আৰু ভাৰিত মূল্য সূচকাংক, দুয়োটাৰে মান বেলেগ বেলেগ পোৱা গৈছে। উদাহৰণ 3 ত আটাইতকৈ গুৰুত্বপূৰ্ণ সামগ্ৰী A ৰ পৰিমাণ দুগুণ হোৱা বাবে ভাৰিত সূচকাংকটো বেছি বৃদ্ধি হৈছে।

**কাৰ্য (Activity)**

- উদাহৰণ 2ত দিয়া তথ্যসমূহৰ চলিত সময় আৰু ভিত্তি সময়ৰ মানসমূহ সলনা-সলনি কৰা। লাচ্‌পেয়াৰ আৰু পাশ্চিৰ সূত্ৰ ব্যৱহাৰ কৰি মূল্য সূচকাংক উলিওৱা। আগতকৈ কি পাৰ্থক্য লক্ষ্য কৰিলা?

## 4. কিছুমান গুৰুত্বপূৰ্ণ সূচকাংক

### গ্ৰাহক মূল্য সূচকাংক (Consumer Price Index)

গ্ৰাহক মূল্য সূচকাংক (CPI) বা জীৱন নিৰ্বাহ ব্যয় সূচকাংকই খুচুৰা মূল্যৰ গড় পৰিৱৰ্তন জোখে। ঔদ্যোগিক কৰ্মীৰ গ্ৰাহক মূল্য সূচকাংক সাধাৰণ মুদ্ৰাস্ফীতিৰ উপযুক্ত নিৰ্দেশক বুলি গণ্য কৰা হয়। ই সাধাৰণ লোকৰ জীৱন-নিৰ্বাহৰ ব্যয়ৰ ওপৰত মূল্যবৃদ্ধিয়ে পেলোৱা প্ৰভাৱ সঠিকভাৱে দেখুৱায়।

**গ্ৰাহক মূল্য সূচকাংক (CPI)**

ভাৰতত তিনিটা CPI গঠন কৰা হয়। সেইকেইটা হৈছে ঔদ্যোগিক কৰ্মীৰ CPI (1982 ভিত্তি বছৰ বিচাপে), চহৰাঞ্চলৰ অকাৰিকৰী কৰ্মচাৰীৰ CPI (1984-85 ভিত্তি বছৰ হিচাপে) আৰু কৃষি শ্ৰমিকৰ CPI (1986-87 ভিত্তি বছৰ হিচাপে)। গ্ৰাহকৰ এই তিনিটা বহল বিভাজনৰ ওপৰত খুচুৰা মূল্যৰ পৰিৱৰ্তনৰ প্ৰভাৱ ব্যাখ্যা কৰিবলৈ প্ৰত্যেক মাহতে নিয়মিতভাৱে এই তিনিটা CPI হিচাপ কৰি উলিওৱা হয়। চিমলাৰ শ্ৰম দপ্তৰ (Labour Bureau)-এ ঔদ্যোগিক কৰ্মী আৰু কৃষি শ্ৰমিকৰ CPI প্ৰকাশ কৰে। কেন্দ্ৰীয় পৰিসাংখ্যিক সংগঠন (Central Statistical Organisation) এ চহৰাঞ্চলৰ অকাৰিকৰী কৰ্মচাৰীৰ CPI প্ৰকাশ কৰে। তিনিওটা গ্ৰাহক সমষ্টিয়ে সাধাৰণতে ভোগ কৰা সামগ্ৰীসমূহৰ পাৰ্থক্য থকা বাবে এইদৰে বেলেগ বেলেগ CPI গঠন কৰা হয়।

তলৰ তালিকাত ঔদ্যোগিক কৰ্মীৰ CPI ৰ প্ৰধান সামগ্ৰী সমষ্টিসমূহৰ ভাৰৰ আঁচনি (1982=100) খন দিয়া হৈছে। এই আঁচনিখনত, খাদ্যসামগ্ৰীক সৰ্বাধিক ভাৰ প্ৰদান কৰা হৈছে। যিহেতু খাদ্যই হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ ভাগ, সেয়েহে খাদ্য সমাগ্ৰীৰ দামৰ যিকোনো বৃদ্ধিয়ে CPI ৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাব। তেলৰ বৃদ্ধিয়ে মুদ্ৰাস্ফীতিৰ সৃষ্টি নকৰিব বুলি চৰকাৰে প্ৰায়েই দি থকা বিবৃতিৰ ব্যাখ্যাও ই দাঙি ধৰে।

| প্ৰধান সমষ্টি | শতাংশৰ হিচাপত ভাৰ |
|---|---|
| খাদ্য | 57.00 |
| পাণ, চুপাৰি, ধপাত আদি | 3.15 |
| ইন্ধন আৰু পোহৰ | 6.28 |
| গৃহ | 8.67 |
| পিন্ধা কাপোৰ, বিছনাৰ কাপোৰ আৰু জোতা চেণ্ডেল | 8.54 |
| অন্যান্য | 16.36 |
| সামগ্ৰিক (General) | 100.00 |

উৎস ঃ অৰ্থনৈতিক সমীক্ষা, 2004-05, ভাৰত চৰকাৰ

জানুৱাৰী 2005 ত ঔদ্যোগিক কৰ্মীৰ CPI আছিল 526 (1982=100)। এই কথাষাৰেনো কি বুজায়? ই বুজায় যে যদিহে এজন ঔদ্যোগিক কৰ্মীয়ে 1982 চনত নিৰ্দিষ্ট কিছুমান সামগ্ৰীৰ বজাৰ মোনাটোৰ বাবে খৰচ কৰিছিল 100 টকা, তেন্তে সেই অবিকল একে সামগ্ৰীৰ বজাৰ মোনাটোৰ বাবে 2005 চনৰ জানুৱাৰীত খৰচ কৰিব লাগিব 526 টকা। তেওঁ সামগ্ৰীৰ বজাৰ মোনাটো কিনিলেনে নাই, সেইটো প্ৰয়োজনীয় নহয়, মাত্ৰ তেওঁৰ কিনাৰ সামৰ্থ্য আছে নে নাই, সেইটোহে গুৰুত্বপূৰ্ণ।

**উদাহৰণ 4**

গ্ৰাহক মূল্য সূচকাংক (CPI) গঠন

তালিকা 8.4

| সামগ্ৰী | শতাংশ হিচাপত ভাৰ W | ভিত্তি সময়ৰ দাম (টকাত) | চলিত সময়ৰ দাম (টকাত) | $R = p_1/p_0 \times 100$ (%ত) | WR |
|---|---|---|---|---|---|
| খাদ্য | 35 | 150 | 145 | 96.67 | 3883.45 |
| ইন্ধন | 10 | 25 | 23 | 92.00 | 920.00 |
| বস্ত্ৰ | 20 | 75 | 65 | 86.67 | 1733.40 |
| ঘৰভাড়া | 15 | 30 | 30 | 100.00 | 1500.00 |
| অন্যান্য | 20 | 40 | 45 | 112.50 | 2250.00 |
| | | | | | 9786.85 |

$$CPI = \frac{\sum WR}{\sum W} = \frac{9786.85}{100} = 97.86$$

এই উদাহৰণটোত দেখা গ'ল যে জীৱন নিৰ্বাহৰ ব্যয় 2.14 শতাংশ কমিছে। 100 তকৈ ডাঙৰ সূচকাংকই কি সূচায়? ই বুজায় যে জীৱন নিৰ্বাহৰ ব্যয় বৃদ্ধি হৈছে আৰু দৰমহা আৰু মজুৰি বৃদ্ধিৰ প্ৰয়োজনীয়তা আহি পৰিছে। যদি সূচকাংক 150 হয়, তেন্তে কৰ্মচাৰীসকলৰ দৰমহা 50 শতাংশ বৃদ্ধি কৰিব লাগিব।

## পাইকাৰী মূল্য সূচকাংক (Wholesale Price Index)

পাইকাৰী মূল্য সূচকাংকই সাধাৰণ মূল্যস্তৰৰ পৰিৱৰ্তন দেখুৱায়। গ্ৰাহক মূল্য সূচকাংকৰ দৰে ইয়াত কোনো গ্ৰাহক সমষ্টিৰ প্ৰসংগ নাথাকে। মেৰামতি, চুলিকটা খৰচ আদিৰ দৰে সেৱা ইয়াৰ অন্তৰ্ভুক্ত নহয়।

"1993-94 ক ভিত্তি বছৰ হিচাপে লৈ মাৰ্চ 2005ত পাইকাৰী মূল্য সূচকাংক 189.1"। এই কথাষাৰে কি বুজায়? ই বুজায় যে এই সময়ছোৱাৰ ভিতৰত সাধাৰণ মূল্যস্তৰ 89.1 শতাংশ বৃদ্ধি পাইছে।

## ঔদ্যোগিক উৎপাদনৰ সূচকাংক (Industrial Production Index)

উদ্যোগসমূহৰ সমূহীয়া উৎপাদন স্তৰৰ পৰিৱৰ্তন ঔদ্যোগিক উৎপাদনৰ সূচকাংকৰ সহায়ত জোখা হয়। ই ৰাজহুৱা আৰু ব্যক্তিগত খণ্ড, দুয়োটাৰে উৎপাদনক সামৰি লয়। ই পৰিমাণ আপেক্ষিকৰ ভাৰিত (ভাৰযুক্ত) গড়। ইয়াৰ সূত্ৰটো হৈছে

$$IIP_{01} = \frac{\sum q_1 \times w}{\sum w} \times 100$$

ভাৰতত বৰ্তমান 1993-94 ক ভিত্তি হিচাপে লৈ প্ৰতিমাহে ইয়াক গণনা কৰা হয়। তালিকা 8.6 ত কিছুমান ঔদ্যোগিক সমষ্টিৰ সূচকাংক আৰু সিহঁতৰ ভাৰ দেখুওৱা হৈছে।

**পাইকাৰী মূল্য সূচকাংক**

পাইকাৰী মূল্য সূচকাংক গঠন কৰোঁতে সামগ্ৰীৰ ভাৰসমূহ, ঘৰুৱা উৎপাদনৰ সামগ্ৰীৰ মূল্যৰ হিচাপ আৰু আমদানি মূল্যৰ ওপৰত নিৰ্ভৰ কৰি উলিওৱা হয়। এই আমদানি মূল্যৰ লগত ভিত্তি বছৰৰ আমদানি শুল্কও অন্তৰ্ভুক্ত হৈ থাকে। সাপ্তাহিক হিচাপত পাইকাৰী মূল্য সূচকাংক পোৱা যায়। সামগ্ৰীসমূহক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰা হয়, যেনে— 1. প্ৰাথমিক সামগ্ৰী, 2. ইন্ধন, পোহৰ আৰু লুব্ৰিকেণ্ট 3. শিল্পজাত সামগ্ৰী

ভাৰৰ আঁচনিখন তলত দিয়া হৈছে। ইন্ধন, শক্তি, পোহৰ আৰু লুব্ৰিকেণ্টক আৰোপ কৰা কম ভাৰে চৰকাৰক, অন্ততঃ হ্ৰস্বকালত তেলৰ মূল্যবৃদ্ধিয়ে মুদ্ৰাস্ফীতিৰ সৃষ্টি নকৰিব বুলি ক'বলৈ সহায় কৰে।

তালিকা 8.5

| বিভাগ | শতাংশ হিচাপত ভাৰ | সামগ্ৰীৰ সংখ্যা |
|---|---|---|
| প্ৰাথমিক সামগ্ৰী | 22.0 | 98 |
| ইন্ধন, শক্তি, পোহৰ আৰু লুব্ৰিকেণ্ট | 14.2 | 19 |
| শিল্পজাত সামগ্ৰী | 63.8 | 318 |

উৎস ঃ অৰ্থনৈতিক সমীক্ষা, 2004-05 ভাৰত চৰকাৰ, পৃঃ 89

তালিকা 8.6

বহল ঔদ্যোগিক সমষ্টি আৰু ইহঁতৰ ভাৰ

| বহল সমষ্টিশতাংশ | হিচাপত ভাৰ | 2005 চনৰ মে মাহত সূচকাংক |
|---|---|---|
| খনি আৰু খনন | 10.47 | 155.2 |
| শিল্প | 79.36 | 222.7 |
| বিদ্যুৎ | 10.17 | 196.7 |
| সাধাৰণ সূচকাংক | | 213.0 |

ওপৰৰ তালিকাত দেখা গৈছে যে ঔদ্যোগিক সমষ্টিসমূহৰ বৃদ্ধিৰ হাৰ বেলেগ বেলেগ। সাধাৰণ সূচকাংকই আটাইবোৰ বিভাগৰ গড় হিচাপত বৃদ্ধিৰ হাৰ দেখুৱায়। খনি আৰু খননৰ তুলনামূলকভাৱে কম বৃদ্ধিৰ হাৰে সাধাৰণ সূচকাংকক কিয় তললৈ নমাব পৰা নাই?

## কৃষি উৎপাদনৰ সূচকাংক (Index of Agricultural Production)

কৃষি উৎপাদনৰ সূচকাংকও পৰিমাণ আপেক্ষিকৰ ভাৰিত (ভাৰযুক্ত) গড়। ইয়াৰ ভিত্তি সময় হৈছে 1981-82ত শেষ হোৱা ত্ৰিবৰ্ষ। 2003-04ত কৃষি উৎপাদনৰ সূচকাংক আছিল 179.5। ইয়ে এইটোকে বুজায় যে 1979-80, 1980-81 আৰু 1981-82, এই তিনিবছৰৰ গড়ৰ তুলনাত কৃষি উৎপাদন 79.5 শতাংশ বৃদ্ধি পাইছে। এই সূচকাংকটোত খাদ্যসামগ্ৰীৰ ভাৰ হৈছে 62.92 শতাংশ।

## চেনচেক্স (Sensex)


প্ৰায়ে তোমালোকে বাতৰি কাকতত এনেকুৱা বাতৰি পঢ়িবলৈ পোৱা ঃ 'চেনচেক্সে 8700ৰ সীমা অতিক্ৰম কৰিছে। BSE, 8650 পইণ্টত বন্ধ হৈছে। বিনিয়োগকাৰীৰ সম্পদ 9000 কোটি টকা বৃদ্ধি পাইছে। চেনচেক্সে ইয়াৰ ইতিহাসত পোন প্ৰথমবাৰৰ বাবে 8700ৰ সীমা অতিক্ৰম কৰিছে। কিন্তু সমাপ্তিৰ 8650 পইণ্টো এটা নতুন অভিলেখ।'

চেনচেক্সৰ বৃদ্ধিয়ে অৰ্থনীতিৰ ভাল অৱস্থা প্ৰতিফলিত কৰে। চেনচেক্স বৃদ্ধিৰ লগে লগে শ্বেয়াৰৰ দামো বৃদ্ধি পায়। ফলত শ্বেয়াৰৰ গৰাকীসকলৰ সম্পদো বৃদ্ধি পায়।

আন এটা বাতৰিলৈ লক্ষ্য কৰা ঃ

'30 দিনত চেনচেক্স 600 কমিছে। 1,53,690 কোটি টকাৰ বিনিয়োগকাৰীৰ সম্পদৰ লোকচান হৈছে। একেৰাহে দুদিনত চেনচেক্সে 338 পইণ্ট হেৰুৱাইছে আৰু চাৰি অক্টোবৰত সৰ্বকালৰ উচ্চসীমা, 8800 পইণ্ট স্পৰ্শ কৰাৰ পিছৰ পৰা ই 6.8% বা 598 পইণ্ট হেৰুৱাইছে। এই সময়ছোৱাত বিনিয়োগকাৰীৰ সম্পদ 6.7% কমিছে বা 1,53,690 কোটি টকা লোকচান হৈছে।'

**বোম্বে ষ্টক এক্‌চেঞ্জ**
**(Bombay Stock Exchange)**



চেনচেক্স হৈছে 1978-79ক ভিত্তি হিচাপে লোৱা বোম্বে ষ্টক এক্‌চেঞ্জৰ সংবেদনশীল সূচক। চেনচেক্সৰ মান এই সময়ছোৱাৰ তুলনাত প্ৰকাশ কৰা হয়। ভাৰতীয় ষ্টক বজাৰৰ ই হৈছে অগ্ৰণী সূচক। অৰ্থনীতিৰ 13টা খণ্ডক প্ৰতিনিধিত্ব কৰা 30টা ষ্টক ইয়াৰ অন্তৰ্গত। তালিকাভুক্ত কোম্পানীসমূহ
নিজৰ নিজৰ উদ্যোগসমূহৰ আগশাৰীৰ কোম্পানী। উৰ্ধগামী চেনচেক্সে বজাৰৰ সন্তোষজনক অৱস্থা প্ৰতিফলিত কৰে। এনে অৱস্থাত বিনিয়োগকাৰীয়ে কোম্পানীসমূহৰ পৰা অধিক উপাৰ্জন আশা কৰিব পাৰে আৰু অৰ্থনীতিৰ ওপৰতো তেওঁলোকৰ আস্থা বৃদ্ধি পায়।

এইটোৱে ইয়াকে দেখুৱাইছে যে অৰ্থনীতিৰ অৱস্থা সন্তোষজনক নহয়। এনে অৱস্থাত বিনিয়োগকাৰীসকলে বিনিয়োগ কৰা নকৰাক লৈ বিমোৰত পৰিব পাৰে।




দেশ এখনৰ প্ৰগতি সম্পৰ্কে জানিবলৈ বহুলভাৱে ব্যৱহৃত আন এবিধ সূচক হৈছে মানৱ উন্নয়ন সূচক (Human Development Index)। বৰ্তমান সময়ত উদ্যোগপতিসকলে উৎপাদনকাৰী মূল্য সূচকাংক (Producer Price Index) নামৰ এবিধ সূচক ব্যৱহাৰ কৰে (বক্সত চোৱা)। এই সূচকটোৱে অতি সোনকালে পাইকাৰী মূল্য সূচকাংকৰ স্থান ল'ব পাৰে বুলি পণ্ডিতসকলে মত পোষণ কৰিছে। ওপৰৰ শ্ৰেণীত তোমালোকে এই আটাইবোৰ সূচকৰ বিষয়ে পঢ়িবলৈ পাবা।

**উৎপাদনকাৰী মূল্য সূচকাংক**

উৎপাদনকাৰী মূল্য সূচকাংকই উৎপাদনকাৰীৰ দৃষ্টিকোণৰ পৰা মূল্য পৰিৱৰ্তনৰ জোখ লয়। কৰ, বাণিজ্যিক লাভ আৰু পৰিবহণ ব্যয় অন্তৰ্ভুক্ত মৌলিক দাম (Basic Prices) হে ই ব্যৱহাৰ কৰে। আন বহুতো দেশৰ দৰে ভাৰততো পাইকাৰী মূল্য সূচকাংকৰ ঠাইত উৎপাদনকাৰী মূল্য সূচকাংক ব্যৱহাৰ কৰিব পাৰি নেকি, এই সম্পৰ্কে পাইকাৰী মূল্য সূচকাংক (1993-94=100)ৰ পুনৰ্মূল্যায়নৰ বাবে গঠিত কাৰ্যকৰী গোটে পৰীক্ষা-নিৰীক্ষা চলাই আছে।

## 5. সূচকাংক গঠনৰ বাবে প্ৰয়োজনীয় বিষয়সমূহ

সূচকাংক গঠন কৰোঁতে কিছুমান গুৰুত্বপূৰ্ণ বিষয়লৈ মনোনিৱেশ কৰা উচিত।

- সূচকাংকৰ লক্ষ্য সম্পৰ্কে স্পষ্ট হৈ ল'ব লাগে। যেতিয়া মূল্য সুচকাংকৰ প্ৰয়োজন, তেতিয়া পৰিমাণ সূচকাংক গণনা কৰাটো অপ্ৰাসংগিক।

- তাৰোপৰি, গ্ৰাহক মূল্য সূচকাংক গঠন কৰোঁতে সকলো গ্ৰাহক গোটৰ বাবে একেধৰণৰ সামগ্ৰী সমানে গুৰুত্বপূৰ্ণ নহয়। এজন দুখীয়া কৃষি শ্ৰমিকৰ জীৱনৰ ওপৰত পেট্ৰ'লৰ মূল্যবৃদ্ধিয়ে প্ৰত্যক্ষ প্ৰভাৱ নেপেলাব পাৰে। সেয়েহে এটা সূচকাংকৰ অন্তৰ্ভুক্ত হ'ব লগা সামগ্ৰীসমূহ যিমান পাৰি সিমান প্ৰতিনিধিত্বমূলক হোৱাকৈ সাৱধানে নিৰ্বাচন কৰিব লাগে। তেতিয়াহে পৰিৱৰ্তনৰ এখন অৰ্থপূৰ্ণ ছবি দেখিবলৈ পোৱা যায়।

- প্ৰত্যেক সূচকৰে এটা ভিত্তি সময় থাকিব লাগে। ভিত্তি সময়টো যিমানদূৰ সম্ভৱ, স্বাভাৱিক হ'ব লাগে। অস্বাভাৱিক সময় ভিত্তি হিচাবে ল'ব নালাগে। সুদূৰ অতীতৰ সময় এটাও ভিত্তি হিচাপে লোৱা উচিত নহয়। 1960 আৰু 2005 চনৰ মাজৰ তুলনাতকৈ 1993 আৰু 2005 ৰ তুলনা বেছি অৰ্থপূৰ্ণ। 1960 চনৰ সামগ্ৰীৰ বজাৰ মোনাখনৰ বহুতো বস্তু এতিয়া অব্যৱহৃত। সেয়েহে যিকোনো সূচকৰে ভিত্তি বছৰ সময়োপযোগী হোৱাকৈ নিয়মিতভাৱে সলনি কৰা হয়।

- আন এটা সমস্যা হৈছে সূত্ৰ নিৰ্বাচন। ই অধ্যয়ন কৰিব খোজা বিষয়ৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। লাচপেয়াৰ আৰু পাশ্বিৰ সূচকাংকৰ একমাত্ৰ পাৰ্থক্য হৈছে এই সূত্ৰ দুটাত ব্যৱহৃত ভাৰ।

- ইয়াৰোপৰি, তথ্যসমূহৰো বিভিন্ন উৎস থাকে। এইবোৰৰ নিৰ্ভৰযোগ্যতাও ভিন্ন। কম নিৰ্ভৰযোগ্য তথ্যই ত্ৰুটিপূৰ্ণ সিদ্ধান্ত প্ৰদান কৰিব পাৰে। সেয়েহে তথ্য সংগ্ৰহ কৰোঁতে প্ৰয়োজনীয় সাৱধানতা ল'ব লাগে। যদিহে প্ৰাথমিক তথ্য ব্যৱহাৰ কৰা নহয়, তেন্তে আটাইতকৈ নিৰ্ভৰযোগ্য গৌণ তথ্য নিৰ্বাচন কৰা উচিত।

**কাৰ্যাৱলী (Activity)**

- স্থানীয় পাচলি বজাৰৰ পৰা কমেও 10টা সামগ্ৰীৰ এসপ্তাহৰ তথ্য সংগ্ৰহ কৰা। সপ্তাহটোৰ বাবে দৈনিক মূল্য সূচকাংক গঠন কৰিবলৈ চেষ্টা কৰা। মূল্য সূচকাংক গঠনৰ দুয়োটা পদ্ধতি ব্যৱহাৰ কৰি কেনেকুৱা সমস্যাৰ সন্মুখীন হ'লা?

## 6. অৰ্থনীতিত সূচকাংক

আমি সূচকাংক কিয় ব্যৱহাৰ কৰিব লাগে? নীতি নিৰ্ধাৰণত পাইকাৰী মূল্য সূচকাংক (WPI), গ্ৰাহক মূল্য সূচকাংক (CPI) আৰু ঔদ্যোগিক উৎপাদনৰ সূচকাংক (IIP) বহুলভাৱে ব্যৱহাৰ কৰা হয়।

- মজুৰি নিৰ্ধাৰণ, আয় নীতি নিৰ্ধাৰণ, মূল্য নীতি, খাজনা নিয়ন্ত্ৰণ, কৰ আৰু সামগ্ৰিক অৰ্থনৈতিক নীতি নিৰ্ধাৰণত গ্ৰাহক মূল্য সূচকাংক বা জীৱন নিৰ্বাহৰ ব্যয় সূচকাংক সহায়ক হয়।
- ৰাষ্ট্ৰীয় আয়, মূলধন গঠন আদিৰ দৰে সমষ্টিৰ পৰা মূল্যস্তৰৰ পৰিৱৰ্তনৰ প্ৰভাৱ দূৰ কৰিবলৈ পাইকাৰী মূল্য সূচকাংক ব্যৱহাৰ কৰা হয়।
- মুদ্ৰাস্ফীতিৰ হাৰ জুখিবলৈ পাইকাৰী মূল্য সূচক বহুল ব্যৱহৃত হয়। মূল্যস্তৰৰ সামগ্ৰিক আৰু একেৰাহে হোৱা বৃদ্ধিকে মুদ্ৰাস্ফীতি বোলে। মুদ্ৰাস্ফীতি অত্যাধিক হ'লে বিনিয়োগৰ মাধ্যম আৰু জোখ-মাখৰ একক হিচাপে মুদ্ৰাই পালন কৰা পাৰম্পৰিক কাৰ্যাৱলী ব্যাহত হ'ব পাৰে। মুদ্ৰাস্ফীতিৰ প্ৰাথমিক প্ৰভাৱ হৈছে মুদ্ৰাৰ মূল্য হ্ৰাস। সাপ্তাহিক মুদ্ৰাস্ফীতিৰ হাৰ এনেদৰে প্ৰকাশ কৰিব পাৰি।

$$\frac{X_t - X_{t-1}}{X_{t-1}} \times 100$$

ইয়াত $X_t$ আৰু $X_{t-1}$ হৈছে ক্ৰমে t তম আৰু t-1 তম সপ্তাহৰ পাইকাৰী মূল্য সূচকাংক।

- প্ৰকৃত মজুৰি আৰু মুদ্ৰাৰ ক্ৰয় ক্ষমতা উলিয়াবলৈ গ্ৰাহক মূল্য সূচকাংক ব্যৱহাৰ কৰা হয় ঃ

(i) মুদ্ৰাৰ ক্ৰয় ক্ষমতা $= \dfrac{1}{\text{জীৱন নিৰ্বাহৰ ব্যয় সূচকাংক}}$

(ii) প্ৰকৃত মজুৰি = (মুদ্ৰা মজুৰি/জীৱন নিৰ্বাহৰ ব্যয় সূচকাংক) × 100

যদিহে জানুৱাৰী 2005 ত গ্ৰাহক মূল্য সূচকাংক (1982=100) 526 হয়, তেন্তে 2005 চনত এটকাৰ মূল্য হ'ব

$\dfrac{100}{526}$ টকা = 0.19 টকা

তাৰমানে 2005 চনৰ এটকাৰ মূল্য 1982 চনৰ 19 পইচাৰ সমান। 2005 চনত, উপভোক্তাৰ মুদ্ৰা মজুৰি 10000 টকা হ'লে, তেওঁৰ প্ৰকৃত মজুৰি হ'ব

10000 টকা × $\dfrac{100}{526}$ = 1,901 টকা

তাৰমানে 1982 চনৰ 1,901 টকা আৰু 2005 চনৰ জানুৱাৰী মাহৰ 10,000 টকাৰ ক্ৰয় ক্ষমতা একে। যদিহে উপভোক্তাজনে 1982 চনত 3000 টকা পাইছিল, মূল্য বৃদ্ধিৰ বাবে 2005 চনত তেওঁৰ জীৱন ধাৰণৰ মানদণ্ড অৱনমিত হৈছে। 1982 চনৰ জীৱন ধাৰণৰ মানদণ্ড বাহাল ৰাখিবলৈ তেওঁৰ মজুৰি 15,780 টকালৈ বৃদ্ধি কৰা উচিত। ভিত্তি বছৰ (1982)ৰ দৰমহাক 562/100 ৰে পূৰণ কৰিলে 15,780 টকা পোৱা যায়।

- উদ্যোগ খণ্ডৰ উৎপাদনৰ পৰিৱৰ্তন সম্পৰ্কে এটা সাংখ্যিক পৰিমাণ ঔদ্যোগিক উৎপাদনৰ সূচকাংকই আগ বঢ়ায়।

- কৃষি খণ্ডৰ অগ্ৰগতিৰ ক্ষীপ্ৰ খতিয়ান কৃষি উৎপাদন সূচকাংকৰ পৰা পাব পাৰি।

- ষ্টক বজাৰৰ বিনিয়োগকাৰীসকলৰ বাবে চেনচেক্স হৈছে সহায়কাৰী পথ প্ৰদৰ্শক। চেনচেক্স বৃদ্ধি হ'লে বিনিয়োগকাৰীসকল অৰ্থনীতিখনৰ ভৱিষ্যৎ সম্পৰ্কে আশাবাদী হয় আৰু বিনিয়োগৰ উপযুক্ত সময় সমাগত বুলি জানিব পাৰে।

এই সূচকাংকসমূহ ক'ত পোৱা যায়?

ভাৰত চৰকাৰৰ বছৰেকীয়া অৰ্থনৈতিক সমীক্ষাত নিয়মীয়াকৈ প্ৰকাশ পোৱা কিছুমান বহুল ব্যৱহৃত সূচকাংক হৈছে পাইকাৰী মূল্য সূচকাংক, গ্ৰাহক মূল্য সূচকাংক, প্ৰধান শস্য সমূহৰ উৎপাদনৰ সূচকাংক, ঔদ্যোগিক উৎপাদনৰ সূচকাংক আৰু বৈদেশিক বাণিজ্যৰ সূচকাংক।

**কাৰ্যাৱলী**

- বাতৰি কাকতৰ পৰা বিচাৰি উলিয়াই চেনচেক্সৰ 10টা মানৰ বাবে এটা কাল শ্ৰেণী গঠন কৰা। গ্ৰাহক মূল্য সূচকাংকৰ ভিত্তি 1982ৰ পৰা 2000 চনলৈ পৰিৱৰ্তন কৰিলে কি হ'ব?

## 7. সামৰণি

গতিকে, সূচকাংকই এটা সংখ্যাৰে বহুতো সামগ্ৰীৰ পৰিৱৰ্তন জোখাত সহায় কৰে। মূল্য, উৎপাদন, পৰিমাণ আদিৰ বাবে সূচকাংক গণনা কৰা হয়।

আকৌ সূচকাংকৰ তাৎপৰ্য ব্যাখ্যা অতি সাৱধানে কৰিব লাগে। অন্তৰ্ভুক্ত সামগ্ৰী নিৰ্বাচন আৰু ভিত্তি বছৰ নিৰ্বাচনো অতি গুৰুত্বপূৰ্ণ বিষয়। সূচকাংকৰ বিভিন্ন ব্যৱহাৰৰ পৰাই গম পোৱা যায় ই নীতি নিৰ্ধাৰণত কিমান গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

## পুনৰুক্তি

সূচকাংক হৈছে

- বহুতো সামগ্ৰীৰ কাৰণে আপেক্ষিক পৰিৱৰ্তন জুখিবলৈ ব্যৱহৃত এক পৰিসাংখ্যিক আহিলা।
- সূচকাংক উলিয়াবলৈ বহুতো সূত্ৰ ব্যৱহাৰ কৰা হয় আৰু প্ৰত্যেকটো সূত্ৰৰে তাৎপৰ্য সাৱধানে ব্যাখ্যা কৰা প্ৰয়োজন ।
- সূত্ৰ নিৰ্বাচন প্ৰধানকৈ সূচকাংক উলিওৱাৰ অভিপ্ৰায়ৰ ওপৰত নিৰ্ভৰ কৰে।
- বহুল ব্যৱহৃত সূচকাংকসমূহ হৈছে পাইকাৰী মূল্য সূচকাংক, গ্ৰাহক মূল্য সূচকাংক, ঔদ্যোগিক উৎপাদনৰ সূচকাংক, কৃষি উৎপাদনৰ সূচকাংক আৰু চেনচেক্স।
- অৰ্থনৈতিক নীতি নিৰ্ধাৰণত সূচকাংক অপৰিহাৰ্য।

## অনুশীলনী

1. সামগ্ৰীসমূহৰ আপেক্ষিক গুৰুত্বৰ হিচাপ ৰখা সূচকাংক হৈছে
   (i) ভাৰিত বা ভাৰযুক্ত সূচকাংক
   (ii) সৰল সমষ্টিগত সূচকাংক
   (iii) সৰল আপেক্ষিকৰ গড় সূচকাংক
2. বেছিভাগ ভাৰিত (ভাৰযুক্ত) সূচকাংকত, ভাৰসমূহ
   (i) ভিত্তি বছৰৰ
   (ii) চলিত বছৰৰ
   (iii) ভিত্তি বছৰ আৰু চলিত বছৰ, উভয়ৰে
3. কম ভাৰযুক্ত এটা সামগ্ৰীৰ দামৰ পৰিৱৰ্তনৰ প্ৰভাৱ সূচকাংকটোৰ ওপৰত
   (i) কম হ'ব
   (ii) বেছি হ'ব
   (iii) অনিশ্চিত
4. গ্ৰাহক মূল্য সূচকাংকই পৰিৱৰ্তন জোখে
   (i) খুচুৰা দামৰ
   (ii) পাইকাৰী দামৰ
   (iii) উৎপাদনকাৰীৰ দামৰ
5. ঔদ্যোগিক কৰ্মীৰ গ্ৰাহক মূল্য সূচকাংকত সৰ্বাধিক ভাৰপ্ৰাপ্ত সামগ্ৰীবিধ হৈছে
   (i) খাদ্য
   (ii) গৃহ
   (iii) বস্ত্ৰ

6. সাধাৰণতে মুদ্ৰাস্ফীতি জুখিবলৈ ব্যৱহাৰ কৰা হয়
   (i) পাইকাৰী মূল্য সূচকাংক
   (ii) গ্ৰাহক মূল্য সূচকাংক
   (iii) উৎপাদনকাৰীৰ মূল্য সূচকাংক
7. সূচকাংক আমাক কিয় লাগে?
8. ভিত্তি সময়ৰ বাঞ্চিত বৈশিষ্ট্যসমূহ কি কি?
9. গ্ৰাহকৰ ভিন্ন গোটৰ বাবে ভিন্ন CPI উলিওৱাটো কিয় জৰুৰী?
10. ঔদ্যোগিক কৰ্মীৰ গ্ৰাহক মূল্য সূচকাংকই কি জোখে?
11. মূল্য সূচকাংক আৰু পৰিমাণ সূচকাংকৰ পাৰ্থক্য কি?
12. মূল্য সূচকাংকত মূল্যৰ যিকোনো পৰিৱৰ্তন প্ৰতিফলিত হয়নে?
13. নগৰাঞ্চলৰ অকাৰিকৰী কৰ্মীৰ CPI য়ে ভাৰতৰ ৰাষ্ট্ৰপতিৰ জীৱন ধাৰণৰ ব্যয়ক প্ৰতিনিধিত্ব কৰিব পাৰেনে?
14. 1980 আৰু 2005 চনৰ ভিতৰত এটা উদ্যোগ কেন্দ্ৰৰ কৰ্মীসকলে বিভিন্ন সামগ্ৰীৰ বাবে কৰা মাহিলি জনমূৰি ব্যয় তলত দিয়া হ'ল। এই সামগ্ৰীসমূহৰ ভাৰ ক্ৰমে 75, 10, 5, 6 আৰু 4। 1980 ক ভিত্তি হিচাপে লৈ 2005 চনৰ বাবে জীৱন নিৰ্বাহৰ ভাৰিত সূচকাংক এটা উলিওৱা

| সামগ্ৰী | 1980 চনৰ দাম | 2005 চনৰ দাম |
|---|---|---|
| খাদ্য | 100 | 200 |
| বস্ত্ৰ | 20 | 25 |
| ইন্ধন আৰু পোহৰ | 15 | 20 |
| ঘৰ ভাড়া | 30 | 40 |
| অন্যান্য | 35 | 65 |

15. তলৰ তালিকাখন ভালদৰে পঢ়ি তোমাৰ মন্তব্য আগবঢ়োৱা ঃ

ঔদ্যোগিক উৎপাদনৰ সূচকাংক, ভিত্তি 1993-94

| উদ্যোগ | শতাংশ ভাৰ | 1996-97 | 2003-04 |
|---|---|---|---|
| সাধাৰণ সূচক | 100 | 130.8 | 189.0 |
| খনি আৰু খনন | 10.73 | 118.2 | 146.9 |
| শিল্প | 79.58 | 133.6 | 196.6 |
| বিদ্যুৎ | 10.69 | 122.0 | 172.6 |

16. তোমাৰ পৰিয়ালৰ গুৰুত্বপূৰ্ণ উপভোগৰ সামগ্ৰীসমূহ তালিকাকৰণ কৰিবলৈ চেষ্টা কৰা।
17. CPI হৈছে 400। এজন লোকৰ দৰমহা ভিত্তি বছৰত বছৰি 4000 টকা আৰু চলিত বছৰত বছৰি 6000 টকা। ভিত্তি বছৰৰ দৰে একে জীৱন ধাৰণৰ মানদণ্ড বৰ্তাই ৰাখিবলৈ হ'লে চলিত বছৰৰ দৰমহা কিমান বৃদ্ধি কৰিব লাগিব?

18. 2005 চনৰ জুন মাহত গ্ৰাহক মূল্য সূচকাংক আছিল 125। খাদ্য সামগ্ৰীৰ সূচক আছিল 120 আৰু অন্যান্য সামগ্ৰীৰ সূচক আছিল 135। মুঠ ভাৰৰ কিমান শতাংশ খাদ্য সামগ্ৰীৰ ওপৰত আৰোপ কৰা হৈছিল ?

19. এখন মহানগৰৰ মধ্যবিত্ত পৰিয়ালৰ বাজেট অনুসন্ধানত তলত দিয়া তথ্যসমূহ পোৱা গৈছেঃ

| বিভিন্ন বিষয়ত ব্যয় | খাদ্য | ইন্ধন | বস্ত্ৰ | ঘৰভাড়া | অন্যান্য |
|---|---|---|---|---|---|
| | 35% | 10% | 20% | 15% | 20% |
| 2004 চনত দাম (টকাত) | 1500 | 250 | 750 | 300 | 400 |
| 1995 চনত দাম (টকাত) | 1400 | 200 | 500 | 200 | 250 |

1995 চনৰ তুলনাত 2004 চনৰ জীৱন ধাৰণৰ ব্যয় সূচকাংক কি ?

20. দুসপ্তাহ ধৰি তোমাৰ পৰিয়ালৰ দৈনিক খৰচ, ক্ৰয় কৰা সামগ্ৰীৰ পৰিমাণ, প্ৰতি এককৰ দাম আদি তথ্যসমূহ লিপিবদ্ধ কৰা। দামৰ পৰিৱৰ্তনে তোমাৰ পৰিয়ালক কেনেদৰে প্ৰভাৱান্বিত কৰিছে?

21. তলত কিছু তথ্য আগবঢ়োৱা হ'লঃ

| বছৰ | ঔদ্যোগিক কৰ্মীৰ **CPI(1982=100 )** | চহৰাঞ্চলৰ অকাৰিকৰী কৰ্মীৰ **CPI(1984-85=100)** | কৃষি শ্ৰমিকৰ CPI **(1986-87=100)** | WPI **(1993-94)=100** |
|---|---|---|---|---|
| 1995-96 | 313 | 257 | 234 | 121.6 |
| 1996-97 | 342 | 283 | 256 | 127.8 |
| 1997-98 | 366 | 302 | 264 | 132.8 |
| 1998-99 | 414 | 337 | 293 | 140.7 |
| 1999-00 | 428 | 352 | 306 | 145.3 |
| 2000-01 | 444 | 352 | 306 | 155.7 |
| 2001-02 | 463 | 390 | 309 | 161.3 |
| 2002-03 | 482 | 405 | 319 | 166.8 |
| 2003-04 | 500 | 420 | 331 | 175.9 |

উৎসঃ অৰ্থনৈতিক সমীক্ষা, ভাৰত চৰকাৰ, 2004-2005

(i) সূচকাংকসমূহৰ আপেক্ষিক মান সমূহৰ ওপৰত মন্তব্য আগবঢ়োৱা।

(ii) এইবোৰৰ এটাৰ লগতে আনটো তুলনা কৰিব পাৰিনে ?

## কাৰ্যাৱলী

- বেছি ব্যৱহৃত সূচকাংকৰ তালিকা এখন প্ৰস্তুত কৰিবলৈ তোমাৰ শ্ৰেণী শিক্ষকৰ সহায় লোৱা। উৎসৰ বিষয়ে উল্লেখ কৰি একেবাৰে সাম্প্ৰতিক তথ্য সংগ্ৰহ কৰা। সূচকাংকৰ একক কি ক'ব পাৰিবানে ?
- যোৱা দহ বছৰত ঔদ্যোগিক কৰ্মীৰ গ্ৰাহক মূল্য সূচকাংকৰ এখন তালিকা প্ৰস্তুত কৰা। এই সময়ছোৱাৰ মূল্যৰ ক্ৰয়ক্ষমতা হিচাপ কৰি উলিওৱা। ই কেনেদৰে পৰিৱৰ্তন হৈ আছে?